# শিকনৰ ফলাফল

**সপ্তম শ্ৰেণী** **ভাষা ঃ অসমীয়া**

## ছাত্ৰ-ছাত্ৰীয়ে ঃ

- বিভিন্ন প্ৰকাৰৰ পঠন সামগ্ৰী পঢ়ি, বুজি নিজৰ মতামত দিব পাৰিব।
- পঠনৰ যোগেদি ছপা আৰু ‘অনলাইন’ৰ বিভিন্ন তথ্য লাভ কৰিব পাৰিব।
- নিজৰ পৰিৱেশ, সমসাময়িক সমাজৰ লগত জড়িত হোৱা সমস্যাৰ ওপৰত নিজৰ দৃষ্টিভংগী ব্যাখ্যা কৰিব পাৰিব।
- প্ৰতিষ্ঠিত কবি, সাহিত্যিকৰ ৰচনাৱলী পঢ়ি সাহিত্যৰ বিভিন্ন শাখাৰ (যেনে-সাধু-কথা, গল্প, কবিতা, জীৱনী আদি) নিৰ্দিষ্ট বৈশিষ্ট্য আৰু লিখন শৈলীৰ বিষয়ে জানিব পাৰিব।
- পুথিভঁৰালত কিতাপ পঢ়াৰ অভ্যাস গঠন হ’ব। পঠনৰ বিভিন্ন কৌশল আয়ত্ত কৰিব পাৰিব। (সৰৱ পঠন/নীৰৱ পঠন)
- তথ্য ভিত্তিক লিখনৰ কৌশল আয়ত্ত কৰিব আৰু লিখিব পাৰিব।
- বাতৰি/পাণ্ডুলিপি আৰু যিকোনো বিষয়ৰ ওপৰত প্ৰতিবেদন লিখিব পাৰিব।
- সৃজনীশীল প্ৰতিভাৰ বিকাশ হ’ব। (গল্প, কবিতা, ৰচনা আদি লিখি বাতৰি-কাকত/আলোচনীত প্ৰকাশৰ বাবে প্ৰেৰণ কৰিব)।
- স্থানীয় গীত-মাত, লোক-সাহিত্য আদিৰ বিষয়ে জানিব, চৰ্চা কৰিব আৰু সংৰক্ষণ কৰিব পাৰিব।
- কিছুমান পাঠ পঢ়ি যাওঁতে ধাৰণা সুদৃঢ় কৰিবৰ কাৰণে শিক্ষক, সমনীয়াৰ সহায়ত অভিধান, বিশ্বকোষ, মানচিত্ৰ আদিৰ উপৰি বৈদ্যুতিন মাধ্যমৰ সহায়ত শিকিব পাৰিব।
- কৈশোৰ কালৰ বৈশিষ্ট্যসমূহৰ বিষয়ে জানিব আৰু নিজৰ জীৱনত সন্মুখীন হোৱা সমস্যা সমাধান কৰিব পাৰিব।
- বাস্তৱ জীৱনৰ লগত সংগতি ৰাখি ভাষাত ব্যাকৰণ ব্যৱহাৰ কৰিব পাৰিব।

# Learning Outcomes

**Class VII** **English**

## The learner:


- responds to different kinds of instructions / requests / directions etc.
- participates in different events such as role-play / poetry recitation / skit / drama / debate / speech / elocution / declamation / quiz etc.
- speaks about news / debate on T.V. and radio, audio–video programmes etc.
- engages in conversations in English with family, friends, people from different professions using appropriate vocabulary.
- discusses, in pairs / groups, excerpts, dialogues, poems read aloud in the class.
- asks and responds to questions based on the text read / heard.
- recites poems / songs in groups and individually with appropriate pause and intonation.
- reads a variety of textual materials in English / Braille and identifies details, characters, main idea and sequence of ideas and events.
- seeks information in print / online, notice board, sign boards in public places, newspaper, etc. and acts accordingly.
- constructs meaningful sentences with a sense of grammatical accuracy.
- organises sentences and writes short paragraphs coherently in English / in Braille with the help of verbal and visual clues on environment concerns and social issues etc.
- writes answers to inferential questions based on the texts read / heard.
- writes formal letters, descriptions / narratives, personal diary, email, SMS, etc.
- writes dialogues from a story and story from dialogues.

# শিকনৰ ফলাফল

**সপ্তম শ্ৰেণী** **গণিত**

**ছাত্ৰ-ছাত্ৰীয়ে ঃ**

- দুটা অখণ্ড সংখ্যাৰ পূৰণ আৰু হৰণ কৰিব পাৰিব।
- দৈনন্দিন জীৱনৰ লগত জড়িত ভগ্নাংশ, পৰিমেয় সংখ্যা, শতাংশ আৰু দশমিক ভগ্নাংশৰ বিভিন্ন সমস্যা সমাধান কৰিব পাৰিব।
- পূৰণ আৰু হৰণ সম্বন্ধীয় সমস্যা সমাধান কৰোতে সংখ্যাৰ সূচকীয় ৰূপ ব্যৱহাৰ কৰিব পাৰিব।
- দৈনন্দিন জীৱনত উদ্ভৱ হোৱা সমস্যা সমূহ সৰল সমীকৰণৰ সহায়ত সমাধান কৰিব পাৰিব।
- শতাংশ, লাভ-লোকচান আৰু সৰল সুত নিৰ্ণয় কৰিব পাৰিব।
- কোণৰ ধৰ্ম ব্যৱহাৰ কৰি এটা ত্ৰিভুজৰ অজ্ঞাত কোণৰ পৰিমাণ উলিয়াব পাৰিব।
- SSS, SAS, ASA, RHS আদিৰ জৰিয়তে ত্ৰিভুজৰ সৰ্বাংগসমতাৰ ব্যাখ্যা কৰিব পাৰিব।
- স্কেল আৰু কম্পাচ ব্যৱহাৰ কৰি প্ৰদত্ত ৰেখা এডালৰ বাহিৰত থকা বিন্দু এটাৰ পৰা ৰেখাডালৰ সমান্তৰালকৈ এডাল ৰেখা আৰু এটা ত্ৰিভুজ অংকন কৰিব পাৰিব।
- আয়ত আৰু বৰ্গই আগুৰি থকা ঠাইৰ কালি উলিয়াব পাৰিব।
- দৈনন্দিন জীৱনৰ লগত জড়িত তথ্যৰ পৰা মধ্যমান, মধ্যমা আৰু বহুলক উলিয়াব পাৰিব।
- দণ্ড চিত্ৰ ব্যাখ্যা কৰিব পাৰিব।



# শিকনৰ ফলাফল

## সপ্তম শ্ৰেণী

## বিজ্ঞান

**ছাত্ৰ-ছাত্ৰীয়ে ঃ**

- পদাৰ্থ আৰু জীৱৰ বাহ্যিকৰূপ, গুণাগুণ আৰু কাৰ্য এই তিনিটা লক্ষণ পৰ্যৱেক্ষণ কৰি বিভিন্ন পদাৰ্থ আৰু বস্তু চিনাক্ত কৰিব পাৰিব। উদাহৰণ স্বৰূপে, প্ৰাণীৰ আঁহ, দাঁতৰ প্ৰকাৰ, দাপোণ আৰু লেন্‌ছ।
- ধৰ্ম, গঠন আৰু কাৰ্যৰ ভিত্তিত বিভিন্ন পদাৰ্থ আৰু জীৱৰ মাজত পাৰ্থক্য উলিয়াব পাৰিব। যেনে- বিভিন্ন জীৱৰ পাচন প্ৰক্ৰিয়া, একলিংগযুক্ত আৰু উভয়লিংগযুক্ত ফুল, তাপৰ সুপৰিবাহী আৰু কুপৰিবাহী পদাৰ্থ, অম্ল, ক্ষাৰক আৰু প্ৰশমিত দ্ৰব্য, দাপোণ আৰু লেন্‌ছত গঠন হোৱা বিভিন্ন প্ৰতিবিম্ব।
- পদাৰ্থ আৰু জীৱসমূহৰ ধৰ্ম/বৈশিষ্ট্যৰ ভিত্তিত শ্ৰেণী বিভাজন কৰিব পাৰিব। যেনে- উদ্ভিদ আৰু প্ৰাণীৰ আঁহ, ভৌতিক আৰু ৰাসায়নিক পৰিৱৰ্তন ইত্যাদি।
- সহজ অনুসন্ধানমূলক কাৰ্যৰ দ্বাৰা মনত উদয় হোৱা প্ৰশ্নৰ উত্তৰ বিচাৰিবলৈ প্ৰয়াস কৰিব; যেনে- ৰঙীন ফুলৰ ৰস অম্ল আৰু ক্ষাৰক চিনাক্তকৰণৰ সূচক হিচাপে ব্যৱহাৰ কৰিব পাৰিনে? সেউজীয়া পত্ৰৰ বাহিৰেও আন ৰঙৰ পাতত সালোক সংশ্লেষণ প্ৰক্ৰিয়া হয়নে? বগা ৰঙটো বিভিন্ন ৰঙৰ সমাহাৰ হয়নে?
- প্ৰক্ৰিয়া আৰু পৰিঘটনাৰ কাৰণৰ মাজত সম্পৰ্ক স্থাপন কৰিব পাৰিব, যেনে- বায়ুৰ চাপৰ লগত বতাহৰ গতি, মাটিৰ প্ৰকাৰ আৰু গুণাগুণৰ ওপৰত শস্যৰ উৎপাদন, মানুহৰ ক্ৰিয়া-কলাপৰ বাবে পানীৰ উৎস হ্ৰাস পোৱা ইত্যাদি।
- প্ৰক্ৰিয়া আৰু পৰিঘটনা ব্যাখ্যা কৰিব পাৰিব, যেনে- প্ৰাণীৰ আঁহ প্ৰস্তুতকৰণ, তাপৰ সঞ্চালনৰ প্ৰকাৰ, মানৱ আৰু উদ্ভিদৰ অংগ আৰু তন্ত্ৰসমূহ, বিদ্যুৎ প্ৰৱাহৰ উত্তাপীয়/তাপীয় আৰু চুম্বকীয় প্ৰভাৱ ইত্যাদি।
- ৰাসায়নিক বিক্ৰিয়া যেনে- অম্ল-ক্ষাৰকৰ বিক্ৰিয়া, ক্ষয়ীকৰণ, সালোক-সংশ্লেষণ, শ্বসন ইত্যাদিৰ বাবে শব্দসমীকৰণ লিখিব পাৰিব।
- উষ্ণতা, স্পন্দনৰ হাৰ, গতিশীল বস্তুৰ দ্ৰুতি, সৰল দোলকৰ পৰ্যায়কাল ইত্যদিৰ গণনা আৰু জোখ মাখ কৰিব পাৰিব।
- প্ৰাণী আৰু উদ্ভিদৰ অংগ তন্ত্ৰ, বিদ্যুৎ বৰ্তনী, পৰীক্ষামূলক ব্যৱস্থা, পাট-পলুৰ জীৱন চক্ৰ ইত্যাদিৰ চিত্ৰ অঙ্কন কৰি চিনাক্তকৰণ/প্ৰৱাহমান চিত্ৰ অঙ্কন কৰিব পাৰিব।
- দূৰত্ব-সময় গ্ৰাফ ইত্যাদিৰ নিচিনা গ্ৰাফ অংকন কৰি তাক ব্যাখ্যা কৰিব পাৰিব।
- ষ্টেথিচস্ক'প, বায়ুৰ বেগ মাপক যন্ত্ৰ, বৈদ্যুতিক চুম্বক, নিউটনৰ কাঁহী আদিৰ চৌপাশত উপলব্ধ হোৱা সামগ্ৰীৰে আৰ্হি প্ৰস্তুত কৰি তাৰ কাৰ্যাৱলী বৰ্ণনা কৰিব পাৰিব।
- বিজ্ঞানৰ আৱিষ্কাৰৰ কাহিনীসমূহ আলোচনা আৰু প্ৰশংসা কৰিব পাৰিব।
- বৈজ্ঞানিক ধাৰণাসমূহ যেনে অম্লব্যৱহাৰত ল'বলগীয়া সাৱধানতা, মাটিৰ পৰীক্ষা আৰু ব্যৱহাৰ, মাটি ক্ষয় নোহোৱাৰ বাবে ল'বলগীয়া সাৱধানতা, অংগজ বংশ বিস্তাৰৰ দ্বাৰা শস্য ৰোপণ, দুই বা তাতোধিক বৈদ্যুতিক কোষ সঠিকভাৱে সংযোজন কৰা, দুৰ্যোগৰ প্ৰাক্ আৰু পশ্চাৎকালীন সাৱধানতা, প্ৰদূষিত পানী শোধন কৰি পুনৰ ব্যৱহাৰ আদি ধাৰণাবোৰ দৈনন্দিন জীৱনত প্ৰয়োগ কৰিব পাৰিব।
- পৰিৱেশ সংৰক্ষণৰ চেষ্টা কৰিব; যেনে- ৰাজহুৱা স্থানত অনাময় নিয়ম মানি চলা, প্ৰদূষক সামগ্ৰীৰ ব্যৱহাৰ হ্ৰাস, মাটিৰ খহনীয়া ৰোধৰ বাবে গছপুলি ৰোপণ, প্ৰাকৃতিক সম্পদৰ অধিক ব্যৱহাৰৰ ফলত হ'ব পৰা পৰিণতিৰ বিষয়ে মানুহৰ মাজত সজাগতা অনা ইত্যাদি।

# শিকনৰ ফলাফল

**সপ্তম শ্ৰেণী** | **সমাজ বিজ্ঞান**

**ছাত্ৰ-ছাত্ৰীয়ে ঃ**

- পৃথিৱীৰ অভ্যন্তৰ ভাগৰ স্তৰসমূহ, বিভিন্ন প্ৰকাৰৰ শিলসমূহ আৰু বায়ুমণ্ডলৰ স্তৰসমূহ চিত্ৰৰ জৰিয়তে চিনাক্ত কৰিব পাৰিব।
- পৃথিৱীৰ মানচিত্ৰ বা গোলকত বিভিন্ন জলবায়ু অঞ্চলৰ অৱস্থিতি নিৰ্ণয় কৰিব পাৰিব।
- বিভিন্ন প্ৰাকৃতিক দুৰ্যোগ যেনে- ভূমিকম্প, বানপানী, খৰাং, ভূমিস্খলন সন্দৰ্ভত ল'বলগীয়া সতৰ্কতামূলক ব্যৱস্থাসমূহ ব্যাখ্যা কৰিব পাৰিব।
- বিভিন্ন কাৰকৰ দ্বাৰা হোৱা স্থলভাগৰ গঠন সম্পৰ্কে বৰ্ণনা কৰিব পাৰিব।
- বিভিন্ন জলবায়ু অঞ্চলসমূহত বাস কৰা লোকসকলৰ জীৱন প্ৰণালী আৰু এই অঞ্চলসমূহৰ মাজৰ আন্তঃসম্পৰ্ক ব্যাখ্যা কৰিব পাৰিব।
- মধ্যযুগৰ ভাৰতৰ ইতিহাস অধ্যয়নৰ বিভিন্ন সমলসমূহ যেনে- হাতে লিখা পুথি, পেইণ্টিং, জীৱনীমূলক নাটক, ঐতিহাসিক কীৰ্তিচিহ্ন আদিৰ তালিকা বনাব পাৰিব।
- মধ্যযুগত সংঘটিত হোৱা ঐতিহাসিক বিকাশ সন্দৰ্ভত এখন ঠাইৰ সৈতে আন এখন ঠাইৰ সম্পৰ্ক বিচাৰ কৰিব পাৰিব।
- মধ্যযুগৰ সামাজিক ৰাজনৈতিক আৰু অৰ্থনৈতিক পৰিৱৰ্তনসমূহ বিশ্লেষণ কৰিব পাৰিব।
- মধ্যযুগত মন্দিৰ, মছজিদ, গম্বুজ নিৰ্মাণত ব্যৱহৃত কৌশল আৰু প্ৰযুক্তিসমূহৰ বিষয়ে বৰ্ণনা বা আলোচনা কৰিব পাৰিব।
- মধ্যযুগত সংঘটিত ভক্তিবাদ আৰু চুফীবাদ আন্দোলনৰ বিভিন্ন কাৰকবোৰ বিশ্লেষণ কৰিব আৰু সেইবোৰৰ পৰা বৰ্তমান সামাজিক জীৱনৰ বিষয়ে যুক্তিযুক্ত ধাৰণা গ্ৰহণ কৰিব পাৰিব।
- গণতন্ত্ৰত ৰাজনৈতিক, অৰ্থনৈতিক আৰু সামাজিক সমতাৰ গুৰুত্ব ব্যাখ্যা কৰিব পাৰিব।
- বিধানসভাৰ নিৰ্বাচন প্ৰক্ৰিয়া আৰু নিজ নিজ বিধানসভা সমষ্টিৰ সন্দৰ্ভত ৰাজ্যিক চৰকাৰৰ কাৰ্যাৱলী বৰ্ণনা কৰিব পাৰিব।
- সমাজৰ বিভিন্ন স্তৰৰ মহিলাসকলে সন্মুখীন হোৱা অসুবিধাবোৰৰ কাৰণ আৰু পৰিণাম বিশ্লেষণ কৰিব পাৰিব।
- বাতৰি-কাকতত উপলব্ধ উপযুক্ত উদাহৰণেৰে গণতন্ত্ৰত প্ৰচাৰ মাধ্যম আৰু বিজ্ঞাপনৰ কামবোৰ ব্যাখ্যা কৰিব পাৰিব।
- বিভিন্ন প্ৰকাৰৰ বজাৰৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব।